# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 31-08-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া কিৰ্গিস্তান ভ্ৰমণসূচীৰে কালি বিছকেকত উপস্থিত হয়। শ্ৰীমোদীয়ে কিৰ্গিস্তানত ২৬ সংখ্যক ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত অংশগ্ৰহণ কৰিব।

২। ভাৰত আৰু উজবেকিস্তানৰ মাজত খনন, আয়ুৰ্বেদ, পৰ্যটন আৰু কৌশলগত মিত্ৰতাকে ধৰি বিভিন্ন খণ্ডত ১১খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ হৈছে।

৩। নেপালত যোৱা বুধবাৰে অহা আকস্মিক বানৰ পাছত ত্ৰিশূলী থ্ৰি একে ধৰি জলবিদ্যুৎ প্ৰকল্পসমূহৰ সুৰংগত আবদ্ধ হৈ পৰা কেইবাশ লোকক উদ্ধাৰৰ বাবে অভিযান তীব্ৰ কৰি তোলা হৈছে।

৪। ভাৰতৰ অভয় সিঙে মালয়েছিয়াত অনুষ্ঠিত টুৱাংকো মহৰিছ স্কোৱাছ ট্ৰফী ২০২৬ৰ পুৰুষৰ একক শাখাৰ খিতাপ দখল কৰিছে। *আৰু*

৫। ডুবাইত যোৱা নিশা অনুষ্ঠিত টি-২০ এছিয়া কাপ মহিলা ক্ৰিকেটত ভাৰতে থাইলেণ্ডক ৯৪ ৰানত পৰাস্ত কৰি অভিযান আৰম্ভ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া কিৰ্গিস্তান ভ্ৰমণসূচীৰে কালি বিছকেকত উপস্থিত হয়। শ্ৰীমোদীয়ে কিৰ্গিস্তানত আজিৰে পৰা দুদিনীয়াকৈ আয়োজন কৰা ২৬ সংখ্যক ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত অংশগ্ৰহণ কৰিব। তেওঁ কাইলৈ ৰাষ্ট্ৰসমূহৰ মুৰব্বীৰ বৈঠকত অংশ ল'ব। প্ৰধানমন্ত্ৰী মোদীক কালি দেশখনৰ কেবিনেট মন্ত্ৰীসকলৰ অধ্যক্ষ কেছিমেলিভ আদিলবেক এলেছ'বিচে বিমানবন্দৰত আদৰণি জনায়। শ্ৰীমোদীক আদৰাৰ বাবে পৰম্পৰাগত কিৰ্গিছ নৃত্যৰো আয়োজন কৰা হয়। ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনৰ সুযোগতে প্ৰধানমন্ত্ৰী মোদীয়ে এই সংস্থাৰ কেইবাগৰাকী নেতাৰ সৈতে বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। এইবাৰ এই সন্মিলনৰ বিষয়বস্তু হৈছে— ছাংহাই সহযোগিতা সংস্থাৰ ২৫ বছৰ ঃ একেলগে বহনক্ষম, শান্তি, উন্নয়ন আৰু সমৃদ্ধিৰ দিশত। এই সন্মিলনত সন্ত্ৰাসবাদ প্ৰতিৰোধ, আঞ্চলিক স্থিৰতা আৰু সীমান্তৰ ইপাৰৰ ভাবুকিৰ ক্ষেত্ৰত সহযোগিতাৰ বিষয়ত অগ্ৰাধিকাৰ দিয়া হ'ব।

এই ভ্ৰমণলৈ ৰাওনা হোৱাৰ পূৰ্বে যোৱা শনিবাৰে এটা বিবৃতিত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে তেওঁ নিৰাপত্তা, যোগাযোগ আৰু সুযোগৰ ওপৰত আধাৰিত এই খণ্ডৰ বাবে ভাৰতৰ দৃষ্টিভংগী উন্নীত কৰাত গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে কয়, যে ভাৰতে সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদ, উগ্ৰবাদমুক্ত খণ্ড গঢ়ি তোলাৰ দিশত ছাংহাই সহযোগিতা সংস্থাৰ সদস্যসকলৰ সৈতে কাম কৰিব। শ্ৰীমোদীয়ে এই ভ্ৰমণৰ অংশ হিচাপে ষষ্ঠ বিশ্ব ন'মাড গেমছৰ উদ্বোধনী অনুষ্ঠানতো অংশ ল'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁৰ এই ভ্ৰমণে মধ্য এছিয়াৰ সৈতে ভাৰতৰ কৌশলগত সম্পৰ্ক শক্তিশালী কৰাৰ লগতে এই খণ্ডৰ সৈতে থকা সভ্যতাজোৰা সংযোগ সুদৃঢ় কৰিব আৰু উমৈহতীয়া শান্তি, স্থিৰতা আৰু সমৃদ্ধিৰ বিকাশ ঘটাব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উজবেকিস্তানৰ ৰাষ্ট্ৰপতি শ্বভকাট মিৰ্জিয়’য়েভৰ সৈতে কালি দ্বিপাক্ষিক আলোচনাত মিলিত হোৱা পাছতে তেওঁৰ দুদিনীয়া তাচখণ্ড ভ্ৰমণৰ সফল সামৰণি পৰে। দুয়োগৰাকী নেতাই ভাৰত আৰু উজবেকিস্তানৰ সম্পৰ্ক ব্যাপক কৌশলগত সম্পৰ্কলৈ উন্নীত কৰাত সন্মতি প্ৰকাশ কৰে।

**বাইট (পি এম)**

উল্লেখযোগ্য যে মধ্য এছিয়াৰ দেশখনে ভাৰতলৈ ইউৰেনিয়াম যোগানৰ দীৰ্ঘদিনীয়া এটা পৰিকল্পনা সফল কৰাৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰে। দুয়োখন দেশে পৰিবেশ, উচ্চ শিক্ষা, খনন, আয়ুৰ্বেদ, পৰ্যটন, অৰ্থনৈতিক বৈঠক তথা সৰ্বাত্মক আৰু কৌশলগত মিত্ৰতাকে ধৰি বিভিন্ন খণ্ডত ১১খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। দুয়োখন দেশে ২০৩০ চনৰ পূৰ্বে দ্বিপাক্ষিক বাণিজ্য বৰ্তমানতকৈ পাঁচ গুণ অধিক কৰি ৫০০ কোটি আমেৰিকান ডলাৰলৈ উন্নীত কৰাৰ লক্ষ্য লৈছে। দেশ দুখনৰ মাজত সহযোগিতা বৃদ্ধি কৰাৰ উদ্দেশ্যে চলোৱা প্ৰয়াসৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ উজবেকিস্তানৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় বঁটা হিচাপে স্বীকৃত **দি অৰ্ডাৰ অব অ’লী দাৰাজালি ডাষ্টলিক** আগবঢ়োৱা হৈছে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ভাৰত আৰু উজবেকিস্তানৰ মাজৰ সুদীৰ্ঘ মিত্ৰতাৰ নামত এই বঁটা উচৰ্গা কৰে।

০০০০০

নেপালত যোৱা বুধবাৰে অহা আকস্মিক বানৰ পাছত ত্ৰিশূলী থ্ৰি একে ধৰি জলবিদ্যুৎ প্ৰকল্পসমূহৰ সুৰংগত আবদ্ধ হৈ পৰা কেইবাশ লোকক উদ্ধাৰৰ বাবে অভিযান তীব্ৰ কৰি তোলা হৈছে। ভাৰত আৰু চীনৰ বিশেষজ্ঞকে ধৰি উদ্ধাৰকাৰী দলে এই লোকসকলৰ সৈতে যোগাযোগৰ চেষ্টা চলাই আছে যদিও বৰ্তমানলৈকে সুৰংগৰ ভিতৰৰ পৰা কোনোধৰণৰ সঁহাৰি লাভ কৰা নাই। এতিয়ালৈকে সন্ধানহীন হৈ থকা দুহেজাৰ ৫০০ লোকৰ ভিতৰত কেইবাশ লোক এই জলবিদ্যুৎ প্ৰকল্পসমূহৰ কৰ্মী আছিল বুলি সন্দেহ কৰা হৈছে। দেশখনৰ এই দুৰ্যোগত কমেও ৭৯৪ জন লোকৰ মৃত্যু হৈছে আৰু দুহেজাৰ ৫০০ৰো অধিক লোক সন্ধানহীন হৈ আছে। তিববতত চৰকাৰী তথ্য অনুসৰি ১৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫৪৬ জন লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলসমূহে নেপালৰ বানত প্ৰভাৱিত আঠোখন জিলাৰ পৰা মৃতদেহসমূহ উদ্ধাৰ কৰি আছে।

ইপিনে ত্ৰিশূলী নদীত কালি নতুনকৈ অহা বানে মধ্য নেপালৰ এখন ওলমা দলং উটুৱাই লৈ যায়। দলংখন উটি যোৱাৰ ফলত গোৰ্খা জিলাৰ গন্দকী গ্ৰাম্য পৌৰসভা ৭ আৰু ৮ৰ পৃথ্বী ঘাইপথৰ মাজত যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। ইয়াৰ পূৰ্বে যোৱা ২৬ আগষ্টৰ আকস্মিক বানে কাঠমাণ্ডুৰ নামনি অংশ ধাৰাডিঘাটৰ এখন দলং উটুৱাই লৈ গৈছিল।

০০০০০

চত্তিশগড়ৰ চুকমা জিলাত সুৰক্ষা বাহিনীয়ে নক্সালবাদীৰ এটা ঘাটি উৎখাত কৰি বুজন পৰিমাণৰ বিস্ফোৰক সামগ্ৰী জব্দ কৰে। স্থানীয় আৰক্ষীয়ে জনোৱা মতে সুৰক্ষা বাহিনীয়ে বেলপোচা-গুমপাডৰ ঘন অৰণ্যত অভিযান চলাই এই বিস্ফোৰক সামগ্ৰীখিনি জব্দ কৰে। চুকমা জিলা বাহিনী, জিলা ৰিজাৰ্ভ গাৰ্ড আৰু বাষ্টাৰ ফাইটাৰ্ছে শেহতীয়াকৈ আত্মসমৰ্পণ কৰা নক্সাল কেডাৰৰ পৰা লাভ কৰা চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত এই অভিযান চলায়। অভিযানৰ সময়ত সুৰক্ষা বাহিনীয়ে ৮ কিলোগ্ৰাম আই ই ডি, দুটা টিফিন বোমা, ১০টা ডিট’নেটৰ, ১৭টা জেলাটিন ষ্টিক আৰু কেইবা মিটাৰ কৰ্ডেক্স বিস্ফোৰক তাঁৰ জব্দ কৰে।

০০০০০

ডুবাইত যোৱা নিশা অনুষ্ঠিত টি-২০ এছিয়া কাপ মহিলা ক্ৰিকেটত ভাৰতে থাইলেণ্ডক ৯৪ ৰানত পৰাস্ত কৰি অভিযান আৰম্ভ কৰে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৫৯ ৰান সংগ্ৰহ কৰে। দলৰ হৈ শেফালী বাৰ্মাই ৬৪ ৰান কৰে। প্ৰত্যুত্তৰত থাইলেণ্ডে

১৫ অভাৰ ৩টা বলতে আটাইকেইটা উইকেট হেৰুৱাই কেৱল ৬৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। শেফালী বাৰ্মাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। প্ৰতিযোগিতাত আজি গ্ৰুপ-ডিৰ এখন খেলত বাংলাদেশ ইন্দোনেছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰতৰ অভয় সিঙে মালয়েছিয়াৰ চেৰেমবানত অনুষ্ঠিত টুৱাংকু মুহ্‌ৰিজ ট্ৰফী ২০২৬ৰ পুৰুষৰ একক শাখাৰ খিতাপ দখল কৰিছে। পি.এছ.এ. চেলেঞ্জাৰ ট্যুৰ১৫ প্ৰতিযোগিতাখনৰ ফাইনেলত শীৰ্ষ বাছনিৰ অভয়ে চীনৰ হংকঙৰ তৃতীয় বাছনিপ্ৰাপ্ত হেনৰি লিউঙক ৩-২ গেমত পৰাস্ত কৰে। এয়া হৈছে ২৭ বৰ্ষীয় ভাৰতীয় স্কোৱাশ খেলুৱৈগৰাকীৰ কেৰিয়াৰৰ ১৩ সংখ্যক পি.এছ.এ. ট্যুৰ খিতাপ তথা যোৱা মাৰ্চত মুম্বাইত অনুষ্ঠিত ইণ্ডিয়ান অপেনত জয়লাভ কৰাৰ পাছত চলিত বৰ্ষৰ দ্বিতীয়টো খিতাপ ।

বৰ্তমান বিশ্বৰ ২৪ নং স্থানত থকা অভয় ভাৰতৰ সৰ্বোচ্চ স্থানপ্ৰাপ্ত পুৰুষ স্কোৱাশ খেলুৱৈ। অভয় সিঙৰ এয়া তৃতীয়টো টুৱাংকু মুহ্‌ৰিজ ট্ৰফী খিতাপ লাভ। ইয়াৰ পূৰ্বে ২০২২ আৰু ২০২৪ চনতো খেলুৱৈগৰাকীয়ে এই প্ৰতিযোগিতাত জয়লাভ কৰিছিল। অভয়, আসন্ন এছিয়ান গেমছ ২০২৬ৰ ভাৰতীয় স্কোৱাশ দলৰো অংশ। তেওঁ পুৰুষৰ একক আৰু দলগত ইভেণ্টত প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব।

ooooo

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ আই.চি.চি.য়ে ক্ৰিকেট ব'ৰ্ডত প্ৰশাসনৰ চৰকাৰী হস্তক্ষেপৰ অভিযোগ তুলি ২০২৭ চনত হ'বলগীয়া মহিলা চেম্পিয়নছ ট্ৰফীৰ প্ৰথম সংস্কৰণৰ আয়োজন কৰাৰ অধিকাৰ শ্ৰীলংকাৰ পৰা প্ৰত্যাহাৰ কৰিছে। আয়োজক দেশখনকে ধৰি মুঠ ছটা দলক লৈ হ'বলগীয়া মহিলা প্ৰতিযোগিতাখনৰ প্ৰথম সংস্কৰণ শ্ৰীলংকাই আয়োজন কৰাৰ কথা আছিল। কিন্তু এই সিদ্ধান্তই তেওঁলোকৰ প্ৰতিযোগিতাত অংশগ্ৰহণকো প্ৰভাৱান্বিত কৰিব পাৰে। এখন প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি, আই.চি.চি.য়ে ইয়াৰ পৰৱৰ্তী বৈঠকত প্ৰতিযোগিতাখনৰ নতুন স্থান সন্দৰ্ভত সিদ্ধান্ত লোৱাৰ সম্ভাৱনা আছে। শ্ৰীলংকাৰ পৰা আয়োজকস্বত্ব কাঢ়ি লোৱাৰ এই পদক্ষেপে দেশখনৰ ক্ৰিকেট ব'ৰ্ডৰ বিত্তীয় অৱস্থাৰ ওপৰতো প্ৰভাৱ পেলাব। প্ৰতিযোগিতাখনত আয়োজক দেশৰ লগতে বিশ্বৰ শীৰ্ষ পাঁচটা দলে অংশগ্ৰহণ কৰাৰ কথা আছিল আৰু এতিয়া খেলৰ স্থান সলনি হোৱাৰ ফলত শ্ৰীলংকা দলটো প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুযোগ হেৰুওৱাৰো সম্ভাৱনা আছে।

ooooo

এ এফ চি ২০ বছৰ অনুৰ্ধৰ পুৰুষ এছিয়ান কাপ প্ৰতিযোগিতা ২০২৭ৰ যোগ্যতা নিৰ্ণয়কাৰী পৰ্যায়ৰ নিজৰ প্ৰথমখন খেলত ভাৰত আজি ছিৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। তাছকেন্তৰ দোষ্টিলিক ষ্টেডিয়ামত খেলখন অনুষ্ঠিত হ'ব। আয়োজক উজবেকিস্তান আৰু বাংলাদেশৰ সৈতে গ্ৰুপ বিত স্থান পোৱা ভাৰতে ২০০৬ চনৰ পাছত প্ৰথমবাৰলৈ এ.এফ.চি. ২০ বছৰ অনুৰ্ধ এছিয়ান কাপত সুযোগ নিশ্চিত কৰাৰ লক্ষ্যৰে এই বাছনি পৰ্বত অৱতীৰ্ণ হৈছে। প্ৰথমখন খেলৰ পূৰ্বে স্থানীয় পৰিস্থিতিৰ সৈতে খাপ খুৱাবলৈ পৰ্যাপ্ত সময় পোৱাৰ উদ্দেশ্যে ভাৰতীয় দলটো যোৱা আগষ্টতে তাছকেন্তত উপস্থিত হয়।

ooooo

সমাপ্ত